জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৪০/২০২১

**সীমান্ত অঞ্চলৰ জনসাধাৰণৰ ভাতৃত্ববোধ, বিশ্বাস শক্তিশালীকৰণৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাৰ লাম্পি অঞ্চল পৰিদৰ্শন**

# উত্তৰ-পূৰ্বাঞ্চলৰ ভাতৃত্ববোধৰ মানসিকতা আৰু সাতভনীৰ একতাৰ মানসিকতাৰে আলাপ-আলোচনাৰ মাধ্যমেৰে সীমা সমস্যাসমূহ সমাধানৰ প্ৰয়াস চলোৱা হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৬ নৱেম্বৰ ঃ** অসম আৰু মেঘালয়ৰ সীমা সমস্যাৰ স্থায়ী সমাধান সূত্ৰ উলিওৱাৰ অংশ হিচাপে তথা দুয়োখন ৰাজ্যৰ সীমান্তত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ জনসাধাৰণৰ মাজত থকা ঐতিহাসিক ভাতৃত্ববোধৰ সম্পৰ্ক আৰু বিশ্বাস অটুট ৰখাৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই আজি কামৰূপ জিলাৰ ল'ৰাৰ লাম্পি অঞ্চলত উপস্থিত হৈ এক আলোচনাত মিলিত হোৱাৰ উপৰি উপস্থিত স্থানীয় ৰাইজক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে।

এই উপলক্ষে কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত ল'ৰাৰ লাম্পি বজাৰত বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন জাতি-জনগোষ্ঠী, ভাষা-ভাষী জনসাধাৰণৰ উপস্থিতিত অনুষ্ঠিত এখন সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰ্তমানৰ অসম চৰকাৰ আৰু মেঘালয় চৰকাৰে মিলিত প্ৰচেষ্টাৰে বিগত ৬ মাহ ধৰি দুয়োখন ৰাজ্যৰ মাজত থকা সীমা বিবাদৰ স্থায়ী আৰু গ্ৰহণযোগ্য সমাধান সূত্ৰ উলিওৱাৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই আছে। উত্তৰ-পূৰ্বাঞ্চলৰ মাজত থকা ভাতৃত্বসুলভ মানসিকতা, সাতভনীৰ মাজত থকা ঐক্য-সম্প্ৰীতিৰ মানসিকতাৰে দুয়োখন ৰাজ্যই সীমা সমস্যাকে ধৰি সকলো সমস্যা আলাপ-আলোচনাৰ মাধ্যমেৰে সমাধান সূত্ৰ উলিওৱাবলৈ সক্ষম হ'ব বুলিও তেওঁ কয়। বৰ্তমানৰ বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰখন শাসন ক্ষমতাত অধিস্থিত হোৱাৰ পিছতেই মুখ্যমন্ত্ৰী হিচাপে তেখেতে শ্বিলঙলৈ গৈ মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰাৰ উপৰি গুৱাহাটীত ৬ আগষ্টত অনুষ্ঠিত হোৱা দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰী পৰ্যায়ৰ বৈঠকত এই দীৰ্ঘদিনীয়া সমস্যাটো আলাপ-আলোচনাৰ মাধ্যমেৰে সমাধান সূত্ৰ উলিওৱাৰ বাবে দুয়োখন ৰাজ্যই ঐক্যমতত উপনীত হৈছে বুলিও তেওঁ কয়। দুয়োখন ৰাজ্যৰ মাজত থকা ১২ টা বিবদমান অঞ্চলৰ প্ৰাৰম্ভিক পৰ্যায়ত ৬ টা কম জটিল বিবদমান অঞ্চলৰ সমাধান সূত্ৰ উলিওৱাৰ বাবে দুয়োখন ৰাজ্যৰ মন্ত্ৰী পৰ্যায়ৰ আঞ্চলিক সমিতিসমূহে ইতিমধ্যে বিভিন্ন অঞ্চল ভ্ৰমণ কৰি তেওঁলোকৰ প্ৰতিবেদন প্ৰস্তুত কৰিছে বুলি উল্লেখ কৰি দুয়োখন ৰাজ্যৰ আঞ্চলিক সমিতিসমূহে সংশ্লিষ্ট চৰকাৰ দুখনৰ ওচৰত নিজৰ প্ৰতিবেদনসমূহ দাখিল কৰাৰ পিছতে এই ৬ টা বিবদমান অঞ্চলৰ সমাধান সূত্ৰ উলিওৱাৰ বাবে আলোচনা

অনুষ্ঠিত হ'ব বুলিও তেওঁ কয়। লাম্পি অঞ্চলৰ সমাধান সূত্ৰ উলিওৱাৰ বাবে দ্বিতীয় পৰ্যায়ত কাৰ্যব্যৱস্থা লোৱা হ'ব যদিও এই বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণক আশ্বস্ত কৰিব পৰাকৈ আজি দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰী লাম্পিত উপস্থিত হৈছে বুলিও তেওঁ কয়।

বৃহত্তৰ লাম্পি অঞ্চলৰ জনসাধাৰণে উন্নয়নৰ পৰা যাতে আৰু অধিক বঞ্চিত হ'ব নালাগে তাৰ বাবে আজি দুয়োখন ৰাজ্যই সাম্ভাব্যভাৱে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনি এই অঞ্চলত ৰূপায়ণ কৰাৰ পদক্ষেপ গ্ৰহণৰ চিন্তা-চৰ্চা কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই সম্পৰ্কত কামৰূপ জিলা আৰু মেঘালয়ৰ পশ্চিম খাছী পাৰ্বত্য জিলাৰ উপায়ুক্তদ্বয়ে অঞ্চলটোৰ জনপ্ৰতিনিধি সকলৰ আলোচনা কৰি উন্নয়নৰ বিভিন্ন পদক্ষেপ লোৱা সম্পৰ্কত বিৱেচনা কৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰিব বুলিও তেওঁ কয়। লাম্পি অঞ্চলৰ ঐতিহাসিক পটভূমি, ৰাইজৰ মতামত ইত্যাদি গ্ৰহণ কৰাৰ পিছতহে সীমা সমস্যাৰ স্থায়ী সমাধান সূত্ৰ উলিওৱাৰ বাবে প্ৰচেষ্টা চলোৱা হ'ব যাতে নতুন প্ৰজন্মই এখন সৰ্বাংগসুন্দৰ লাম্পি লাভ কৰিব পাৰে। লাম্পি অঞ্চলৰ বিকাশ যাতে কেতিয়াও ব্যাহত হৈ নপৰে তাৰ বাবে উভয়ে আলোচনা কৰি প্ৰচেষ্টা চলাই যাব বুলিও তেওঁ কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমাই লাম্পি অঞ্চলত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ শুভেচ্ছামূলক ভ্ৰমণৰ উদ্যোগ লোৱা বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোৱা প্ৰয়াসৰ শলাগ লয়। বৰ্তমানৰ দুয়োখন ৰাজ্যৰ চৰকাৰ দুখনে জটিল সীমা সমস্যাসমূহ সৌহাৰ্দ্যমূলকভাৱে সমাধান কৰাৰ বাবে প্ৰয়াস চলাইছে বুলি উল্লেখ কৰি এই সমস্যা থকাৰ বাবে বিগত প্ৰায় ৫০ বছৰে দুয়োখন ৰাজ্যৰ সীমামূৰীয়া অঞ্চলত বসবাস কৰা জনসাধাৰণে যথেষ্ট দুৰ্ভোগ ভুগিবলগীয়া হৈছে বুলিও তেওঁ কয়। সেয়েহে, বৰ্তমানৰ ৰাজ্য চৰকাৰ দুখনে এই সমস্যাসমূহ পৰ্যায়ক্ৰমে আলাপ-আলোচনাৰ মাধ্যমেৰে সমাধানৰ বাবে প্ৰয়াস চলাইছে বুলিও তেওঁ কয়। পূৰ্বৰ কোনো এখন চৰকাৰে এনেধৰণৰ সক্ৰিয় প্ৰচেষ্টা লোৱা নাছিল বুলিও তেওঁ আক্ষেপ প্ৰকাশ কৰে। আজি লাম্পি অঞ্চলৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাস সুদৃঢ় কৰাৰ বাবে দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰী আহি ইয়াত উপস্থিত হৈছে বুলিও তেওঁ কয়।

সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ আয়ুক্ত সচিব জি ডি ত্ৰিপাঠীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়ায় মেঘালয়ৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী তথা পশ্চিম খাছী পাৰ্বত্য জিলাৰ আঞ্চলিক সমিতিৰ অধ্যক্ষ আৰ এল টংখাৰে। অনুষ্ঠানত সীমান্ত উন্নয়ন বিভাগৰ মন্ত্ৰী তথা কামৰূপ আঞ্চলিক সমিতিৰ অধ্যক্ষ অতুল বৰা, বকো সমষ্টিৰ বিধায়িকা নন্দিতা দাস, মেঘালয়ৰ বিধায়ক কিমফা এছ মাৰবানিয়াং, মুখ্য সচিব জিষ্ণু বৰুৱা, মেঘালয়ৰ মুখ্য সচিব ৰেবেকা চুচিয়াং, দুয়োখন ৰাজ্যৰ উচ্চপদস্থ বিষয়া, কামৰূপ আৰু পশ্চিম খাছী পাৰ্বত্য জিলাৰ উপায়ুক্তদ্বয়, বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ জনসাধাৰণ উপস্থিত থাকে।

**বঃভাঃ**

**১৬-১১-২০২১**